# 2025

## ASSAMESE

## ( Minor )

Paper : ASS4100104MN

( অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) কোনটো সাহিত্যিক প্ৰাকৃতৰ অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হোৱা বুলি বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছিল?

(খ) কোন গৰাকী পণ্ডিতে প্ৰথমে অসমীয়া সাহিত্যৰ যুগ-বিভাজন কৰিছিল?

(গ) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) প্ৰতিমা পাণ্ডে বৰুৱা কোনবিধ অসমীয়া লোকগীতৰ এগৰাকী প্ৰসিদ্ধ শিল্পী?

(ঙ) মাধৱ কন্দলিয়ে ৰামায়ণৰ কেইটা কাণ্ড লিখা বুলি নিজে উল্লেখ কৰিছে?

(চ) কোনে বৰগীতক 'Holy song' আখ্যা দিছিল?

(ছ) ৰাম সৰস্বতীৰ 'ভীম চৰিত' কোন শ্ৰেণীৰ কাব্য?

(জ) অসমীয়া গদ্যৰ জনক ৰূপে কাক অভিহিত কৰা হয়?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) অসমীয়া লিপিৰ বৈশিষ্ট্য ফুটি উঠা খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ দুখন শিলালিপিৰ নাম লিখা।

(খ) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম উল্লেখ কৰা।

(গ) 'শ্ৰীকৃষ্ণকীৰ্তন'ৰ ৰচক কোন? কাব্যখনৰ বৰ্ণনীয় বিষয় কি?

(ঘ) হেম সৰস্বতীয়ে কোন গৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু তেওঁ (পৃষ্ঠপোষক) ক'ৰ নৃপতি আছিল?

(ঙ) মন্ত্ৰ-সাহিত্য কোন যুগৰ সৃষ্টি বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে? যি কোনো এবিধ মন্ত্ৰ-সাহিত্যৰ নাম লিখা।

(চ) মাধৱ কন্দলিৰ ৰামায়ণৰ কোনটো কাণ্ড শংকৰদেৱে আৰু কোনটো কাণ্ড মাধৱদেৱে ৰচনা কৰিছিল?

(ছ) অসমীয়া লোকগীতৰ দুটা শ্ৰেণী উল্লেখ কৰা।





(জ) 'উষ্ণা উষ্ণা পাবত তঁহি বসই সৱৰী বালী'—চৰ্যাগীতটোত উল্লেখ থকা 'উষ্ণা' আৰু 'বালী' শব্দৰ অৰ্থ লিখা।

(ঝ) বিষয় অনুযায়ী বৰগীতক যি ছটা ভাগত ভগোৱা হয়, তাৰে যি কোনো দুটা ভাগৰ নাম লিখা।

(ঞ) 'হস্তীবিদ্যাৰ্ণৱ' পুথি কোনখন সংস্কৃত গ্ৰন্থৰ আধাৰত ৰচিত? সংস্কৃত গ্ৰন্থখনৰ ৰচক কোন?

৩। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া সাহিত্যক কি কি যুগত বিভাগ কৰিব পাৰি, চমুকৈ আলোচনা কৰা।

(খ) অসমীয়া আৰু বাংলা উমৈহতীয়া সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা।

(গ) শংকৰদেৱৰ সাহিত্যকৃতি সংক্ষেপে বৰ্ণনা কৰা।

(ঘ) গোৱালপৰীয়া লোকগীতৰ বিষয়ে এটি চমু টোকা লিখা।

(ঙ) মাধৱ কন্দলিৰ পৰিচয় দি কবিগৰাকীৰ সাহিত্যকৃতি উল্লেখ কৰা।

(চ) অসমীয়া পাঁচালী-সাহিত্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) 'অৰ্জুনৰ বিষাদ যোগ'ৰ কথাখিনি চমুকৈ বৰ্ণনা কৰা।

(জ) হাতীৰ বিভিন্ন লক্ষণৰ কথা 'হস্তীবিদ্যাৰ্ণৱ' পুথিত কেনেদৰে বৰ্ণিত হৈছে, উল্লেখ কৰা।

৪ । তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) অসমীয়া ভাষাৰ উৎপত্তি-সম্পৰ্কীয় মতকেইটা উল্লেখ কৰি অধিক গ্ৰহণযোগ্য বুলি বিবেচিত মতটোৰ বিষয়ে বহলাই আলোচনা কৰা ।

(খ) কামৰূপী লোকগীতৰ চমু পৰিচয় দাঙি ধৰি 'কানাই পাৰ কৰা হে' শীৰ্ষক লোকগীতটোত কৃষ্ণ আৰু ৰাধাৰ প্ৰেম-অনুৰাগৰ চিত্ৰ কেনেদৰে প্ৰকাশ হৈছে, উল্লেখ কৰা ।

(গ) হিৰণ্যকশিপুৱে পুত্ৰ প্ৰহ্লাদক বিষ্ণু ভক্তিৰ পৰা আঁতৰাই আনিবলৈ কেনেদৰে বৃথা চেষ্টা কৰিছিল, হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' গ্ৰন্থৰ আধাৰত বৰ্ণনা কৰা ।

(ঘ) ঝুমুৰা কি? মাধৱদেৱৰ 'চোৰধৰা' ঝুমুৰাৰ কাহিনীভাগ তোমাৰ ভাষাৰে লিখা ।

(ঙ) অসমীয়া বুৰঞ্জী-সাহিত্যৰ চমু পৰিচয় দাঙি ধৰি 'অসমৰ ৰণোদ্যম' পাঠ্যাংশৰ আধাৰত বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা ।

★★★

# 1 (Sem–1/FYUGP) ASS 41 MN/(B)

## 2 0 2 5

## ASSAMESE

## ( Minor )

Paper : ASS4100104MN

( অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) কালিৰাম মেধিয়ে অসমীয়া ভাষাৰ উদ্ভৱ ক'ৰ পৰা হোৱা বুলি কৈছে?

(খ) ড০ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষা সম্পৰ্কে ৰচনা কৰা গৱেষণা গ্ৰন্থখনৰ নাম কি?

(গ) 'উষ্ণা উষ্ণা পৱৱত তঁই সবৰী বালী'—ইয়াত 'সবৰী বালী'-ৰ অৰ্থ কি?

(ঘ) অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটা বৈশিষ্ট্য লিখা।

(ঙ) মাধৱদেৱৰ কোনখন নাটক অংকীয়া নাট বুলি ক'ব পাৰি?

(চ) অসমীয়া সাহিত্যত 'মহাভাৰত'ৰ কবি বুলি কাক কোৱা হয়?

(ছ) 'সাতসৰী অসম বুৰঞ্জী'ত কেইখন বুৰঞ্জী সংকলিত হৈছে?

(জ) ভট্টদেৱৰ প্ৰকৃত নাম কি?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো ছটা) : ২×৬=১২

(ক) বঙলা-অসমীয়া ভাষাৰ উমৈহতীয়া সাহিত্য হিচাপে স্বীকৃত দুখন গ্ৰন্থৰ নাম লিখা।

(খ) ইয়াণ্ডাবু সন্ধি কাৰ কাৰ মাজত হৈছিল?

(গ) দুগৰাকী পাঁচালী কবিৰ নাম লিখা।

(ঘ) বৰগীতৰ দুটা বৈশিষ্ট্য লিখা।

(ঙ) বাণীবন্ধনৰ জৰিয়তে লোকগীতক জনপ্ৰিয় কৰি তোলা দুগৰাকী সংগীত শিল্পীৰ নাম লিখা।

(চ) যুদ্ধকাব্যৰ কবি বুলি ক'লে কাক বুজা যায়? তেওঁ ৰচনা কৰা এখন যুদ্ধকাব্যৰ নাম উল্লেখ কৰা।



(Continued)



(ছ) আহোম যুগৰ শ্ৰেষ্ঠ কবি কোন? কালিদাসৰ নাটকক আধাৰ হিচাপে লৈ তেওঁ কোনখন কাব্য ৰচনা কৰিছিল?

(জ) ভট্টদেৱৰ গদ্যৰীতিৰ দুটা বৈশিষ্ট্য লিখা।

(ঝ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে? গ্ৰন্থখনৰ সম্পাদক কোন?

(ঞ) কাৰ অনুৰোধ মৰ্মে, কোনে 'হস্তীবিদ্যাৰ্ণৱ' পুথি ৰচনা কৰিছিল?

৩। উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) চৰ্যাপদৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) বৈষ্ণৱ যুগৰ শ্ৰেষ্ঠ কবিগৰাকীৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) 'লংকাৰ বিৱৰণ' পাঠটিত মাধৱ কন্দলিয়ে লংকাৰ বিৱৰণ কিদৰে দিছে, পাঠটোৰ আধাৰত লিখা।

(ঘ) 'একবাৰ হৰিবল মন ৰচনা'—গীতটিত জীৱন আৰু সংসাৰৰ অনিত্যতাৰ কথা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঙ) 'চোৰধৰা' ঝুমুৰাত শ্ৰীকৃষ্ণৰ চতুৰালি কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(চ) বেউলাই কি পৰিস্থিতিত, কেনেদৰে নৃত্য কৰিবলগীয়া হৈছিল, পাঠটোৰ আধাৰত চমুকৈ লিখা।



(Turn Over)

(ছ) শংকৰদেৱ-মাধৱদেৱৰ ক'ত, কেনেদৰে মিলন হৈছিল? এই মিলনক কিয় মণিকাঞ্চন সংযোগ বুলি কোৱা হয়, লিখা।

(জ) অসমীয়া সচিত্ৰ পুথিৰ ইতিহাসত 'হস্তীবিদ্যাৰ্ণৱ' পুথিৰ গুৰুত্ব সম্পৰ্কে লিখা।

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো দুটা) : ১০×২=২০

(ক) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে এটি নিবন্ধ লিখা।

(খ) প্ৰাক্-শংকৰী যুগৰ কাব্যধাৰাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) 'ভীম-চৰিত' পুথিত ভীমৰ চৰিত্ৰ কিদৰে অংকন কৰা হৈছে, আলোচনা কৰা।

(ঘ) 'প্ৰহ্লাদ-চৰিত্ৰ' কাব্যত প্ৰহ্লাদক বিষ্ণুৱে কিদৰে ৰক্ষা কৰিছিল, বৰ্ণনা কৰা।

(ঙ) 'অৰ্জুনৰ বিষাদ-যোগ' পাঠটিত অৰ্জুনৰ মনলৈ বিষাদ অহাৰ কাৰণ কি? অৰ্জুনৰ এই বিষাদ কোনে, কেনেদৰে দূৰ কৰিছিল?

★★★